# অসম আদিত্য

RNI REGN. No. : ASSASS/2019/78693
epaper.asomaditya.com
Portal : www.asomaditya.com
e-mail : asomaditya@gmail.com


**স্বাস্থ্য**

গুল নেমুৰ ৰস দাঁতৰ বিষ, দাগ পৰা, মুখৰ দুৰ্গন্ধ আদিত উপকাৰী। সৰু ল'ৰা-ছোৱালীৰ কৃমি নাশ কৰিবলৈ খালী পেটত ইয়াৰ ৰস আৰু গুটি পিহি খুৱাব লাগে। ই ইনফ্লুয়েঞ্জা, ভাইৰেল জ্বৰ, স্নায়ু দুৰ্বল আদিত উপকাৰী।


২৭ ফাগুন, ১৯৪৫ শক ■ সোমবাৰ, ১১ মাৰ্চ, ২০২৪ ■ Asom Aditya, Dibrugarh, Monday, March 11, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত ■ ডিব্ৰুগড় সংস্কৰণ


...ায়। এই উপলক্ষে পুৰা পতাকা ... সমিতিখনৰ সভাপতি ৮ পৃষ্ঠাত

## ক্ৰিকেটাৰ ...ৰ ৰহমানৰ ...াৰণ সভা

... মাৰ্চ ঃ কালুগাঁও অঞ্চলৰ প্ৰাক্তন আত্মসমৰ্পণকাৰী আলফা সদস্য, ...ৰ শিৱসাগৰ জিলা সমিতিৰ উপ-...

কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ বদান্যতা

## পিতৃৰ স্মৃতিত মাজুলী কলেজলৈ কক্ষ দান

প্ৰতিবেদক, মাজুলী, ১০ মাৰ্চ ঃ ঐতিহ্যমণ্ডিত ডি এইচ এছ কে কলেজৰ অধ্যক্ষ, বিশিষ্ট লেখক, কৰ্মসূৰ্যকে আদি কৰি বিভিন্ন উপাধি-বঁটাৰে বিভূষিত সুদক্ষ শৈক্ষিক প্ৰশাসক ড° শশীকান্ত শইকীয়াই দ্বীপজিলা মাজুলীৰ প্ৰাচীনতম উচ্চশিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়ত এটা শ্ৰেণীকক্ষ নিৰ্মাণৰ দায়িত্ব গ্ৰহণ কৰিছে। নিজৰ পিতৃ, কটনাকাটি সন্তানক পোহৰৰ বাট দেখুৱাবলৈ সক্ষম হোৱা নৈষ্ঠিক লোক হৰিপদ শইকীয়াৰ স্মৃতিত এটি কক্ষটো মাজুলী মহাবিদ্যালয়ত নিৰ্মাণ কৰাৰ ইচ্ছাৰ কথা ঘোষণা কৰাৰ পিছতেই ড° শশীকান্ত শইকীয়াৰ বদান্যতাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিবলৈ আজি মাজুলী মহাবিদ্যালয় পৰিয়ালে বিয়লি ৩ বজাৰ পৰা এখনি সভাৰ আয়োজন কৰে। মহাবিদ্যালয় শিক্ষক গোটৰ সম্পাদক তুলসী ৰাজখোৱাই আঁত ধৰা আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক বিপুল ৰাজখোৱাই ...



বাণী

না কৰিবলৈ
ত নিজকে
। নিজে শুদ্ধ
পাৰিলেহে
তামত দিয়াৰ
ৰিব পাৰিবা।

— ছক্ৰেটিছ

# অসম আদিত্য

ংখ্যা ৬৮ ■ ২৭ ফাগুন, ১৯৪৫ শক ■ সোমবাৰ, ১১ মাৰ্চ, ২০২৪ ■ Asom Aditya, Dibrugarh, Monday, March 11, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটি

কাজল দে'ৰ লগতে সোণাৰি পৌৰসভাৰ পৌৰ আয়ুক্ত-আয়ুক্তাসকল উপস্থিত আছিল।

## সৃষ্টিৰে প্ৰতিভাৰ স্বাক্ষৰ

কৰাৰ সময়ত এক আবেগিক পৰিৱেশৰ সৃষ্টি হয়। মন্ত্ৰীগৰাকীৰ লগতে দুয়োগৰাকী বিধায়কে প্ৰতিমূৰ্তিটোত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে এমট্ৰনৰ উপাধ্যক্ষ ঋতুবৰণ শৰ্মা, অগপৰ জিলা সভাপতি ৰাতুল কুমাৰ নাথ, বিশিষ্ট শিক্ষাবিদ ড° ভুৱনেশ্বৰ চহৰীয়া, মহেন্দ্ৰ নাথ কেওট, বিশিষ্ট কণ্ঠশিল্পী দুৰ্গামিয়ী বৰা, বিজেপিৰ অসম মহিলা মৰ্চাৰ সভানেত্ৰী স্বপ্না বনীয়া, বিজেপিৰ শোণিতপুৰ জিলা সমিতিৰ সভানেত্ৰী দীপামণি শইকীয়া, জ্যোতি কলা কেন্দ্ৰ সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ লিখন শৰ্মা আদি বিজেপিৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য হিৰণ্য ভূঞা আদিয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পিছত এই শুভাৰম্ভণী অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰি জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই ঐতিহাসিক 'পকী' তথা জ্যোতি ভাৰতীৰ উন্নীতকৰণৰ লগতে জ্যোতি ভাৰতীৰ অমূল্য সম্পদসমূহ বিজ্ঞানসন্মতভাৱে আৰু পৰিকল্পিতভাৱে সংৰক্ষণৰ বাবে অসম চৰকাৰে এক অভিলাষী আঁচনি গ্ৰহণ কৰিছে আৰু ইয়াৰ প্ৰাৰম্ভিক অংশ হিচাপে আজি এই দুই গুৰুত্বপূৰ্ণ সম্পদ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। শোণিতপুৰ প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি পংকজ বৰুৱাই আঁত ধৰা আৰু জিলা সাংস্কৃতিক উন্নয়ন বিষয়া তথা জ্যোতি ভাৰতীৰ ভাৰপ্ৰাপ্ত বিষয়া জিতেন কুমাৰ দাসে শলাগ জ্ঞাপন কৰা অনুষ্ঠানটিত মন্ত্ৰী অশোক সিংহলে প্ৰথমেই তোৰণ নিৰ্মাণ কৰা তেজপুৰৰ বিশিষ্ট চিত্ৰ-ভাস্কৰ্য শিল্পী মৃগেন কলিতাক এখন গামোচাৰে সন্মান জনায়। ইয়াৰ পিছতেই ভাষণ প্ৰসংগত নিজৰ জীৱনৰ বাবে আজিৰ দিনটো সদায় গৌৰৱৰ দিন হৈ থাকিব বুলি মন্তব্য কৰি তেজপুৰৰ 'পকী' অসমৰ সংস্কৃতি, অসমৰ ভাষা-সাহিত্য আৰু অসমৰ ইতিহাসৰ প্ৰতীকেই নহয় সমগ্ৰ অসমবাসীৰ স্বাভিমান বুলি মন্তব্য কৰি স্বৰ্ণিল তেজপুৰৰ বাবে আজিৰ দিনটো স্মৰণীয় দিন হৈ ৰ'ব বুলি মন্তব্য কৰে। মন্ত্ৰী সিংহলে ৰূপান্তৰৰ শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালাই তাহানিতেই আজিৰ দৰে কোনোধৰণৰ সুবিধা নথকাকৈ অসমৰ এই তেজপুৰৰ পৰাই চিনেমা নিৰ্মাণ কৰাৰ সপোন দেখি সুদূৰ জাৰ্মানীলৈ গৈ ইয়াৰ বাবে প্ৰশিক্ষণ গ্ৰহণ কৰি ভোলাগুৰি চাহবাগিচাতে ষ্টুডিঅ' নিৰ্মাণ কৰি প্ৰথমখন অসমীয়া চলচ্চিত্ৰ 'জয়মতী' নিৰ্মাণ কৰাটো কেনে সাহসিকতা আৰু কষ্টসাধ্য কাম আছিল সেয়া ভাবিলেই আচৰিত লাগে বুলি মন্তব্য কৰে। মন্ত্ৰী সিংহলে সৃষ্টিশীলতাৰ সকলো ক্ষেত্ৰতে জ্যোতিপ্ৰসাদ আগৰৱালাই যি প্ৰতিভাৰ স্বাক্ষৰ ৰাখি থৈ গ'ল সেয়া সৰ্বকালৰ বাবে সকলোৰে বাবে প্ৰাতঃস্মৰণীয় হৈ থাকিব বুলি মন্তব্য কৰে।

## 'কা'ৰ বিৰুদ্ধে গোলাঘাটত

... গোস্বামীয়ে চৰকাৰৰ

## পিতৃৰ স্মৃতিত মাজুলী

উদ্দেশ্য ব্যাখ্যা কৰা ৰেৱ সভাখনিত পৌৰোহিত্য কৰি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়— দানৰ অন্তৰালত আনন্দ আৰু সুখ লুকাই থকাৰ বাবেই দানেই দুৰ্গতি খণ্ডায় বুলি কোৱা হয়। অধ্যক্ষ ড° শইকীয়াই লগতে কয়— ২০১৩ চনত তিনি বছৰ তিনি মাহ কাল মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষৰ আসনত অধিষ্ঠিত হৈ পৰৱৰ্তী সময়ত ডিব্ৰুগড়ৰ কানৈ কলেজলৈ অধ্যক্ষ হিচাপে বদলি হৈ যোৱা ড° শশীকান্ত শইকীয়াই মাজুলী মহাবিদ্যালয়ক বুকুৰ একোণত সযতনে সোমোৱাই লৈ যুৱাৰ বাবেই মহাবিদ্যালয়খনলৈ এনে মহৎ দান আগ বঢ়োৱাৰ কথা চিন্তা কৰিলে। সভাত বক্তব্য আগ বঢ়াই ড° শশীকান্ত শইকীয়াই মাজুলী মহাবিদ্যালয়ে তেওঁক আজিও শয়নে-সপোনে হাতবাউলি মাতে বুলি উল্লেখ কৰি কয়— মাজুলী মহাবিদ্যালয়ৰ সমগ্ৰ অসমতে এক সুকীয়া পৰিচয় আছে। এইপৰিচয় অনাগত সময়তো বৰ্তাই ৰখাৰ ক্ষেত্ৰত মহাবিদ্যালয় পৰিয়াল যত্নপৰ হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। ড° শশীকান্ত শইকীয়াই পিতৃ হৰিপদ শইকীয়া স্মৃতিত মাজুলী মহাবিদ্যালয়ত এটি কক্ষ নিৰ্মাণৰ ইচ্ছাৰ কথা জানিব পাৰি মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, আউনীআটীয় সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে সন্তোষ প্ৰকাশ কৰাৰ লগতে দাতাগৰাকীৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। সভাত উপস্থিত থাকি মহাবিদ্যালয়ৰ অৱসৰী প্ৰশাসনিক সমন্বয়ক অতুল ভূঞা, বৰ্তমানৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° দেৱজ্যোতি ভট্টাচাৰ্য, জ্যেষ্ঠ অধ্যাপক ড° ৰাজেন চন্দ্ৰ বৰা, অজয় প্ৰসাদ সিংহ, গীতাৰাণী গোস্বামী, ইন্দিৰা বড়া, প্ৰণীতা ৰাজখোৱা, সুৰেন চন্দ্ৰ দাস, অপূৰ্বজ্যোতি হাজৰিকা, ড° ৰূপজ্যোতি বৰা, ড° দুলাল হাজৰিকা, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ মাজুলী মহাবিদ্যালয়ৰ সমন্বয়ক অধ্যাপক দেৱজ্যোতি খাটনিয়াৰ, ড° প্ৰফুল্ল বৰা, প্ৰণৱজ্যোতি বৰা, দীনেশ পেগু, আচাৰ্য মোহন দাস, বিজয় টিমুং, প্ৰীতিৰেখা গগৈ, সংগীত নাটক একাডেমী বঁটাপ্ৰাপক, শিক্ষাবিদ কৰুণা বৰা, ৰামধনু শাখা সাহিত্য সভাৰ সভাপতি জগন্নাথ দুৱৰীয়া, অৱসৰী শিক্ষক দ্বীজেন দত্ত, ডিগবৈৰ বগাপানী চাহ বাগিচাৰ উপ-প্ৰবন্ধক হৃদয়ৰাজ নেওগ, পানীগাঁও অ'পিডি মহাবিদ্যালয়ৰ অধ্যাপিকা বি ডি নিশা, নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষক দিগান্ত শইকীয়া, গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাস, কৰ্মচাৰী গোটৰ সম্পাদক উৎপল বৰুৱা প্ৰমুখ্যে ব্যক্তিসকলে দাতাপুৰুষ ড° শশীকান্ত শইকীয়াৰ পিতৃভক্তি তথা উদাৰতাৰ ভূয়সী প্ৰশংসা কৰে। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়ায় সহযোগী অধ্যাপক ড° ব্ৰজেন চন্দ্ৰ নেওগে। উল্লেখ্য, মাজুলীৰ প্ৰাচীনতম শিক্ষানুষ্ঠানখনৰ প্ৰতি ড° শশীকান্ত শইকীয়াই দেখুওৱা বদান্যতাত মাজুলীবাসীয়ে সন্তুষ্টি প্ৰকাশ কৰিছে।

## টিএমচিৰ ঃ প্ৰাৰ্থীৰে 'ৰেম্পৱাক'



## ইউছুফ, কীৰ্তি, ...
## দৰে তাৰকাক ...

কলকাতা, ১০ মাৰ্চ ঃ পশ্চিমবংগত শাসকীয় পক্ষৰ ইণ্ডি মৰ্চাৰে মিত্ৰতা যে নহয় সেয়া স্পষ্ট। অতদিনৰ জল্পনা-কল্পনাৰ অন্ত পেলাই প্ৰত্যাশিতভাৱেই অকলে যুঁজ দিবলৈ সাজু হ'ল

## ...ছাঁ ঃ আজমগড়ত প্ৰধানম...

## ...ৰ উদ্বোধন

